বিশেষ লেখা

সতী ৰাধিকা ঃ সতী বিচাৰ

এক তাত্ত্বিক বিশ্লেষণ

ডাঃ ডিম্বেশ্বৰ ভঁৰালী

(যোৱা সংখ্যাৰ পিছৰ পৰা)

ঐতিহাসিক টেম্বুৱানী জান আৰু ইয়াক বন্ধ কৰাৰ ৰূপকথা ঃ

টেম্বুৱানী জান ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ এটি সৰু জলধাৰা। এই জলধাৰাটি বৰদোৱা আলিপুখুৰী নলচা, লেঙ্গামাগুৰি অঞ্চলৰ মাজেৰে বৈ গৈছে। বাৰিষা সময়ত এই জানটোৰে ব্ৰহ্মপুত্ৰৰ পৰা বাঢ়নি পানী সোমাই সেই অঞ্চলসমূহৰ বিস্তৰ ক্ষতি সাধন কৰে। প্ৰতিবছৰে এই জানটোৰে সোমাই অহা পানীয়ে ধান, মৰাপাট আদি কৰি অনেক শস্যৰ ক্ষতি সাধন কৰে বাবে অঞ্চলটোৰ ৰাইজে জানটো বন্ধ কৰিবলৈ বহুবাৰ চেষ্টা কৰিছিল।

এই জানটোৰ নাম টেম্বুৱানী জান কিয় হ'ল? — তাৰ এটি ঐতিহাসিক ঘটনাও নথকা নহয়। স্থানীয় লোক প্ৰবাদমতে কুণ্ডিল নগৰৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণীক কৃষ্ণই পলুৱাই অনাৰ পথত শ্ৰীকৃষ্ণই ক্ষন্তেক জিৰণি লোৱাৰ মানসে এই জলধাৰাৰ কাষতে ৰৈছিল সেই ছেগতে ৰুক্মিণী আয়ে তামোল খাবলৈ বুলি হাঁচটিৰ টোপোলাটো উলিয়ালে। তামোল কাটিবলৈ বুলি টেমী-কটাৰী উলিয়াই জানটোৰ পানীত ধুই আনিবলৈ যাওতে চূণৰ টেমীটো পানীত পৰি হেৰাল। সেই টেমী হেৰুৱা বাবেই জানটোৰ নাম তেতিয়া 'টেমী হেৰুৱা জান' নামেৰে জনাজাত হয়। কিন্তু কালক্ৰমত মানুহৰ মুখ বাগৰি বাগৰি টেমী হেৰুৱা নামৰ ঠাইত টেম্বুৱানী হ'ল। এনেকৈয়ে দ্বাপৰ যুগৰ টেমী হেৰুৱা জান কলিৰ শেষত টেম্বুৱানী আৰু আধুনিক যুগত সেয়ে 'শান্তিজান' নামেৰে বিদ্যমান। বৰ্তমান শান্তিজানৰ জলৰাশি সমগ্ৰ মানৱ জাতিৰ বাবে পবিত্ৰ শান্তিজল। পঞ্চদশ শতিকাৰ মাজভাগৰ পৰা সেই টেম্বুৱানী জানটো বন্ধ কৰিবলৈ যিবোৰ যোজনা ৰাইজে লৈছিল, সেই যোজনাবোৰৰ কোনোটোতে সফল হ'ব পৰা নাছিল। অৱশেষত এই জলন্ত সমস্যাটোৰ কথা তদানীন্তন ভূঞা ৰাজ্যৰ সামন্ত-প্ৰভু শিৰোমণি ভূঞা শংকৰদেৱৰ ওচৰত অৱগত কৰায়।

আমি এইখিনিতে প্ৰসঙ্গ সংগতি ৰাখি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিষয়ে এটি চমু আভাস দিবলৈ চেষ্টা কৰিছো।

শ্ৰীমন্ত শংকৰদেৱ ঃ

সংসাৰৰ চাৰিমুঠি জীৱৰ কল্যাণৰ বাবে বিশ্বৰ একমাত্ৰ আধ্যাত্মিক মানৱতাবাদী একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱ। — 'য'ত জীৱ জঙ্গম কীট পতঙ্গম \ অগ নগ জগ তেৰি কায়া'। 'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মা ৰাম \ জানিয়া সবাকো পৰি কৰিবা প্ৰণাম'। উদাৰতা, মানৱতা, সাম্যবাদ আৰু ভক্তিপ্ৰেমৰ বাৰ্তাবাহক একশৰণ নাম ধৰ্ম প্ৰচাৰ কৰিবলৈ লওতে তাবাই কেতবোৰ অতি-মানৱীয় গুণসম্পন্ন কাম কৰি ইতিহাস ৰচনা কৰি গৈছিল। সেই ইতিহাসসমূহৰ ভিতৰত 'সতী ৰাধিকা' আৱিষ্কাৰো এক উল্লেখযোগ্য ইতিহাস। শংকৰদেৱৰ জন্ম হয় আহিন মাহৰ শুক্লা দশমী শুক্ৰবাৰে বৰদোৱাৰ আলিপুখুৰী নামৰ ঠাইত। খৃষ্টীয় ১৪৪৯ চন। পূৰ্বৰ বংশধৰ চণ্ডীবৰ। কণৌজৰ পৰা অহা (বৰ্তমান পশ্চিমবঙ্গ)।

টেম্বুৱানী জান বন্ধ কৰিবৰ বাবে অঞ্চলৰ সমগ্ৰ ৰাইজে জনোৱা আবেদন আৰু ইয়াৰ সমাধান কৌশলৰ বৰ্ণনা ৰামচৰণ ঠাকুৰ বিৰচিত গুৰু-চৰিতৰ পৰা উদ্ধৃত কৰা হৈছে।

শুনা সভাসদ কথা আত অনন্তৰে
টেম্বুৱানী জানে বুৰে শস্য হানি কৰে।
বৈশাখতে জানে বুৰে কৰে শস্য হানি
সবৰাজ্য তলে যায় জানা তাৰ প্ৰাণী।।
সবলোকে ভূঞা সকলক বিচাৰয়
একো ভূঞা তাক লাগি সাহ নকৰয়।।
দেখি সবলোকে আলোচিয়া চলি গৈলা
শংকৰৰ আগে গৈয়া উপশন ভৈলা।।
প্ৰণামোহো মাথোঁ তুমি ভূঞাত প্ৰধান।
কেনমতে বান্ধা যায় টেম্বুৱানী জান।।

শংকৰদেৱ গুৰুজনাই তেওঁলোক আশ্বাস দি ক'লে—

শংকৰে বোলন্ত সব লোক যোৱা ঘৰ।
হৰিচৰণ নামে দূত পাঞ্চিলা প্ৰখৰ।।
ভূঞাগণ জান দিয়া আনিও মতাই।
আসোক সমস্তে জান বান্ধিবে ওলায়।।

সেই নিৰ্দেশমতে হাতত কোৰ-পাচিলৈ কপিলীৰ পৰা শিঙৰীলৈকে প্ৰায় দহ হেজাৰ মানুহ গোট খালে। নানা কৌশল খটুৱাই প্ৰত্যেকেই জান বন্ধা কামত লাগিল। বহু কষ্ট কৰিলে। কিন্তু জান বন্ধ কৰিব পৰা নাই। তথাপিতো ৰাইজ হতাশ হোৱা নাই। গুৰুজনাই লগত পুনৰ নতুন যোজনা ৰচনা কৰিলে।

গুৰু-চৰিতৰ মতে —

সাধিবো ইসব কাৰ্য শুনা ভূঞাগণ।
দেশত বিচাৰি শান্তি আনা একজন।।
হেন শুনি ভূঞাগণে দূত পাঞ্চি দিলা।
ব্ৰাহ্মণ সবক চাই শংকৰে বুলিলা।।
অনন্ত কন্দলী শুনা গোবিন্দ মিছিৰ।
জিজ্ঞাসা তোমাৰ শান্তি মনে কৰি থিৰ।।
ৰত্নাকৰ কন্দলী ৰত্ন পাঠক শুনিও।
চন্দ্ৰ সৰস্বতী মিশ্ৰ শান্তি আনি দিয়ো।।
কবিৰাজ কলাপকেশৰী গুৰু শুনা।
হোৱে যদি শান্তি তযু ভাৰ্যা এটা আনা।।
আনো যত পণ্ডিত আছাহা যত মান।
বোলোহো বিচাৰি কন্যা তোৰা সবে আন।।

কিন্তু শান্তি সতী হ'বলৈ কি কি গুণ থাকিব লাগিব আৰু কেনেকৈ সতী শান্তি বিচাৰ কৰিব লাগিব শুনক —

শুনা কহো আমি আৰ সংগোপ বচন।
শান্তি বুলি ইহাৰ আসয় কিবা জন।।
তাহাৰ পৰীক্ষা চাও বুলিলো বুজাই।
জল এক পলো যিবা জনে আনে যাই।।
অনন্তৰে মাটি বাকি জান মাজে দিব।
সবলোকে তাতে তেৰে প্ৰমাণ কৰিব।।

ভূঞা সকলে সেইমতে সকলো দিশতে দূত পঠাই ঢোলপিটি শুনালে। কিন্তু কোনো নাৰীয়ে ওলাই নাহিল।

ইফালে বৰদোৱাৰ আলিপুখুৰীৰ ব্ৰাহ্মণ পণ্ডিতসকলৰ পত্নীসকলে সাজি-কাচি ওলাই আহিছে নিজকে শান্তি নাৰী ৰূপে দাবী কৰিবলৈ।

যাইবো আমি শান্তি মানি মনত আপুনি....

....

এহি বুলি কন্যা আথে বেথে চলি যায়।
বোলয় শংকৰে কেন প্ৰমাণক চায়।।

ৰাস্তাৰে যাওঁতে তেওঁলোকে দূতৰ মুখেৰে শুনিলে যে শান্তি নাৰী সেই গৰাকীয়ে হ'ব; যি গৰাকী নাৰীয়ে এটা প'লত পানী ভৰাই আনিব পাৰিব।

এহি শুনি আচাৰ্যৰ ভাৰ্যা পালটিলা।
সৰ্ব দূতগণে শংকৰত জান দিলা।।
একোহো ঠানত জানা শান্তি আন নাই
দেশে দেশে বিচাৰিয়া শান্তিক নাপায়
তযু আগে জান দিলো যেন লাগে কৰা।
জান বন্ধ নভৈলে জানিবা আমি মৰা।।

সতী নাৰী বিচাৰি আনিব নোৱাৰি জান বন্ধা নহ'ব বুলি ভাবি ৰাইজ হতাশ হৈ পৰিল। শংকৰদেৱো মৌন হৈ ৰ'ল।

এনে সময়তে সেইফালেদি এহাল স্বামী-স্ত্ৰী মাছ মাৰি ঘৰৰ অভিমুখে গৈ আছিল। বহু মানুহৰ সমাগম হোৱা দেখি মহিলাগৰাকীয়ে নিজৰ স্বামীক সুধিলে বোলে — 'হেৰি সেয়া তাত কিনো হৈছে? বোলে — তাত শংকৰ গোমোস্তাই টেম্বুৱানী জান বান্ধিবৰ কাৰণে এগৰাকী শান্তি সতী নাৰী বিচাৰিছে। শান্তি নাৰী বিচাৰি নেপালে বোধহয়'। - স্বামীজনে ক'লে।

হাসি তেবে স্বামীৰ আগত কথা কয়।
শংকৰ গোমস্তা কিনো শান্তি বিচাৰয়।।
মোত পৰে শান্তি আন নাহি একোজনী।
কোপ কৰি নদীয়ালে মাতে তেতিক্ষণী।।

এই গৰাকী কৈৱৰ্ত জাতিৰ নাৰীৰ নামেই ৰাধিকা। আৰু ৰাধিকাৰ স্বামী পূৰ্ণানন্দ। স্বামী পূৰ্ণানন্দৰ লগত হাঁহি-ঠাট্টা কৰি ৰাধিকাই নিজকে সতী নাৰী বুলি কোৱা শুনি পূৰ্ণানন্দই ধমকি দি কৈছিল —

হাগিয়া কটিক ধুইবে এই নজানয়।
বৰ কটায়িনী বুলি মোৰ আগে কয়।।

গাঁৱৰ ফালৰ পৰা হৰিবৰ দূতে সতী বিচাৰি আহি থাকোতে ৰাস্তাত এই দুইগৰাকী স্বামী-স্ত্ৰীৰ কথাখিনি শুনিলে। সেই খবৰটোকে হৰিবৰে গুৰুজনাক জনালেগৈ। গুৰুজনায়ো দূতৰ মুখেৰে তেনে এগৰাকী নাৰীৰ কথা শুনি, আহিবলৈ ক'লে। ৰাধিকাক হৰিবৰ দূতে গুৰুজনাৰ ওচৰলৈ মাতি নিলে। *(ক্ৰমশঃ)*

কবিতা

উজবেক কবিতা

(১)

ক্ষমা

আজাম অবিডভ (AZAM ABIDOV)

❑ অনুবাদ - প্ৰয়াগ শইকীয়া

এজন দাস মই, নাজানো একোকে,
বীৰগণৰ বাবে এটি প্ৰশ্নচিহ্ন।
মোৰ জীৱন উৎসৰ্গিত যিকোনো মৃত্যুৰ বাবে,
হাঁহিৰে সমাধিত কটাবলে কাল

হে পৃথিৱী, কেতিয়াও নাথাকিবা আন্ধাৰৰ শিবিৰত,
কোনো সন্ত্ৰাসে নিবিচাৰে আমাক নগৰত।
প্ৰতি পুৱা অদৃষ্টৰ চৰায়ে আনে
দোকমোকালিৰ বাৰ্তা।

ক্ষমা কৰিবা, পথ হ'ব পাৰে ৰুদ্ধ
মই সদায়ে স্ৰজি উলিয়াও ক্ষুদ্ৰকায় কুঁহি
কিন্তু পাৰাখিনিক নকৰো প্ৰেৰণ
কি বুলিনো বিচাৰিবা মোৰ মাজত তোমাৰ ঈশ্বৰক?

এজন দাস মই নাজানো একোকে
বীৰগণৰ বাবে এটি প্ৰশ্নচিহ্ন।
মোৰ জীৱন উৎসৰ্গিত যিকোনো মৃত্যুৰ বাবে
হাঁহিৰে সমাধিত কটাবলে কাল।

(২)

আঘাত অৰ্থহীন

আঘাতনো কি, আমি মুখামুখি হ'বলৈ বিচাৰো
বিদায় বুলি একো নাই, দূৰলৈ।

পৃথিৱীলৈ আহে অনাদৰণীয় সকল
বিশাল প্ৰেমেৰে সমৃদ্ধ সকল যায় দূৰলৈ।

উশাহ সদায়ে শৰণাপন্ন,
হৃদয় ভগ্ন — হাঁহিনো কিয়?
এনেদৰে অসমৰ্থিত অতীত বিশাল,
প্ৰেমৰ পৰা সকলো প্ৰেমহীনে আঁকোৱালি লয় মৃত্যু!

❖ ❖ ❖

নীলা কণ্ঠৰ নিৰ্মালি

❑ মৰম মৌচুম মহন্ত

তোমাৰ যুদ্ধ-বিৰোধী কণ্ঠত নিনাদিত নহ'লে
অভিশপ্ত হৃদয়ৰ চুবুৰিৰ কন্দল
কিমান আৰু নিজকে লুণ্ঠন কৰিবা
কাপালিক শিখণ্ডী হৈ কিমান যুঁজিবা প্ৰতাৰণাৰ যুঁজ!
তোমাৰ কণ্ঠৰ ভস্মত কিমান আৰু ৰোপণ
কৰিবা বীৰ্যহীনতাৰ আটাহ!
উঠেনে তোমাৰ শুভ্ৰতাৰ গম্বুজৰ চূড়াত
থৰথৰ কম্পমান এখনি অশীতিপৰ হাত।
উঠক দিয়া
তথাপি তোমাৰ কণ্ঠৰ কানন কুসুমিত হওক।
শ্মশানত শুনিছা কেতিয়াবা ভোকৰ চিঞৰ
তোমাতকৈ তেজস্বী, তোমাতকৈ ওজস্বী।
তুমিতো সমৰ সজ্জাৰ নিখুঁত খনিকৰ
কেনেকৈ তুমি হ'ব বিচৰা শান্তিৰ কণ্ঠ!
হয়তো তোমাৰ মজুত আছে
সস্তীয়া সাজ সস্তীয়া প্ৰসাধন
লালন কৰিবই নোৱাৰা যদি
বাৰে বাৰে কিয় জন্ম দিয়া জাৰজ সন্তান
নহয় কিন্তু মই দুৰ্যোধন অথবা দুঃশাসন।
ওলাব দিয়া খবৰ কাগজত তোমাৰ
প্ৰশস্তিৰ উৎকট প্ৰহসন
নিৰ্মালিৰ কণ্ঠত কঁপি উঠিল মাৰাৰ উদ্যান!
কঁপি উঠিল গণতন্ত্ৰৰ মিনাৰ!
কঁপি উঠিল বাচিনৰ মৃত্যু উপত্যকা!
ভাবিছা নেকি
তোমাৰ যুযুধান কণ্ঠত দপ্‌দপাই উঠিল
যুদ্ধ-বিৰোধী শ্ল'গান!
ওঁহো! নাই নু ঠিল।
ব্যাকৰণৰ ফিতাৰে জোখা তোমাৰ কণ্ঠৰ
পৰিমাপত বাজি থাকিল কেৱল পৰাধীনতাৰ শ্ল'গান।
নিষ্ফল তোমাৰ মৰুভূমিৰ কণ্ঠ
য'ত নাছিল কোনো পলস অথবা
মাটিৰ মানুহৰ আটোমটোকাৰি স্বপ্ন।
লাগে কি তোমাক
বাঃ বাঃ হাত চাপৰি প্ৰতাৰণাৰ মন্ত্ৰ
বিচৰা কি তুমি
ছেন্ট্ৰ', ভিক্টা, ট্ৰভেৰা, নিৰাপদ বিলাসী চাকৰি
নাভাবিবা মই তোমাৰ সাম্প্ৰতিক আক্ৰমণ
কিয় ভাবা কাপোৰ পিন্ধিলেই সভ্য হয় মানুহ
জাতিষ্কাৰ হয় হৃদয়
হয়তো নাজানা
প্ৰতাৰণৰ নিখুঁত বৰ্ণমালাৰেই সূচনা হৈছিল
তোমাৰ সভ্যতাৰ দোকমোকালিৰ খোজ
দেখা নাই তুমি শাওণৰ পথাৰত
বগা বগা মৃত্যুৰ তেজ
লেই লেই - চেই চেই ঈশ্বৰ
তথাপি হাত চাপৰিৰ আশাতেই কৰা শান্তিৰ আবৃত্তি
তুমিয়েতো কৈছিলা
তোমাৰ মৃতদেহৰ মই পঞ্চম চাণ্ডাল
তুমিতো হ'ব নোৱাৰিলা নিৰ্মল পাঞ্চালী
মাথোঁ জ্বলাবলৈ শিকিলা জতুগৃহ
বাৰম্বাৰ ছাৰখাৰ কৰিলা খাণ্ডৱ
তোমাৰ নামটো বাৰু কেনেকৈ হ'ল নিৰ্মালি!
আচলতে নাম ৰখাটো যে মানুহৰ পুৰণি বদভ্যাস
যিদৰে অৰ্থক নিৰৰ্থক কৰিব পৰা
তোমালোক শব্দৰ বিশুদ্ধ জুৱাৰী
আচলতে তোমাৰ নামটো হ'ব লাগিছিল
নিখুঁত নিৰুপমা বিষাক্ত বৰ্ণালী।

❖ ❖ ❖